1146 (PDEDB)

ASSAMESE (DSE)

(ধ্বনি বিজ্ঞান আৰু অসমীয়া ধ্বনিতত্ত্ব)

[AS S1 -06]

1. তলৰ প্ৰশ্নসমূহৰ যিকোনো *পাঁচটাৰ* উত্তৰ লিখক (প্ৰতিটো প্ৰায় ৪০০ শব্দৰ ভিতৰত) ঃ $10 \times 5 = 50$

(*a*) বাগিন্দ্ৰিয় কাক বোলে ? বাগিন্দ্ৰিয়ৰ এটি চিত্ৰ আঁকি ইয়াৰ অঙ্গসমূহ উল্লেখ কৰক আৰু বিভিন্ন ব্যঞ্জন ধ্বনি উচ্চাৰণত বাগিন্দ্ৰিয়ৰ অঙ্গসমূহে কেনেদৰে ভূমিকা লয় সেই বিষয়ে লিখক ।

(*b*) নিয়ত বা স্পৰ্শ ধ্বনি কাক বোলে ? অসমীয়া ভাষাত নিয়ত ধ্বনি কেইটা আৰু কি কি ? উচ্চাৰণৰ স্থান, ধৰণ আৰু ধ্বনিৰ গুণ অনুযায়ী নিয়ত ধ্বনি সমূহক তালিকাভুক্ত কৰি দেখুৱাওক ।

(*c*) বিশিষ্ট ধ্বনি কাক বোলে ? বিশিষ্ট ব্যঞ্জন ধ্বনি আৰু আখৰৰ মাজত পাৰ্থক্য কিয় সৃষ্টি হ'ব পাৰে ? অসমীয়া ভাষাৰ প্ৰসংগত বিষয়টো আলোচনা কৰি কাৰণসমূহ দেখুৱাওক আৰু বিশিষ্ট ব্যঞ্জন ধ্বনি আৰু আখৰৰ এখন তালিকা প্ৰস্তুত কৰক ।

(*d*) প্ৰাচীন কামৰূপৰ প্ৰত্নলেখসমূহত পৰিলক্ষিত ধ্বনিতাত্ত্বিক পৰিৱৰ্তনসমূহ আলোচনা কৰক ।

(*e*) অসমীয়া আৰু ওড়িয়া ভাষাৰ স্বৰধ্বনিৰ এটা তুলনামূলক আলোচনা আগবঢ়াওক ।

(*f*) অসমীয়া ভাষাৰ ধ্বনিতত্ত্বত আৰ্য্যভিন্ন ভাষাৰ কোনসমূহ উপাদান সোমাই পৰিছে উদাহৰণসহ আলোচনা কৰক ।

(*g*) 'অসমীয়া আখৰ– জোঁটনিৰ ক্ৰমবিকাশ' শীৰ্ষক এটা প্ৰবন্ধ লিখক ।

(*h*) অসমীয়া ভাষাৰ অনলাইন আৰু ছফটৱেৰ অভিধানসমূহৰ বিষয়ে আলোচনা কৰক । অসমীয়া ভাষাৰ পৰিবৃদ্ধি সাধনত এই অভিধানসমূহ আৰু ইউনিক'ডে কেনেদৰে সহায় কৰিব পাৰে বিশ্লেষণ দাঙি ধৰক ।

2. তলৰ প্ৰশ্নসমূহৰ যিকোনো *চাৰিটাৰ* উত্তৰ লিখক (প্ৰতিটো প্ৰায় ২০০ শব্দৰ ভিতৰত) ঃ $5 \times 4 = 20$

(*a*) ভাষাবিজ্ঞান কাক বোলে ? ভাষাবিজ্ঞানৰ অধ্যয়নক ধ্বনিবিজ্ঞানে কিদৰে সহায় কৰিব পাৰে আলোচনা কৰক ।

(*b*) বাগধ্বনি কি ? ধ্বনিবিজ্ঞানৰ অন্তৰ্গত বিভাগসমূহৰ বিষয়ে লিখক ।

(*c*) উপধ্বনি কাক বোলে ? ধ্বনিৰ প্ৰয়োগ আৰু পৰিবেশৰ আধাৰত উপধ্বনি কেনেদৰে নিৰ্ণয় কৰা হয় উপযুক্ত উদাহৰণৰ সহায়ত আলোচনা কৰক ।

(*d*) উপহিত বৰ্ণ কাক বোলে ? উপহিত বৰ্ণসমূহৰ বিষয়ে চমুকৈ লিখক ।

(*e*) ধ্বনিৰ বিৰোধী প্ৰয়োগ কাক বোলে ? অসমীয়া ভাষাৰ স্বৰধ্বনিসমূহৰ যি তিনিধৰণৰ বিৰোধ হয় সেয়া উদাহৰণসহ আলোচনা কৰক ।

(*f*) আন্তঃৰাষ্ট্ৰীয় ধ্বনিলিপিৰ প্ৰয়োজনীয়তা সম্পৰ্কে লিখি ইয়াৰ সহায়ত লিপ্যান্তৰ কেনেদৰে কৰা হয় উদাহৰণ দেখুৱাওক ।
